- যদি কোনো ব্যক্তিয়ে সম্পত্তি ঘূৰাই দিবলৈ অমান্তি হয় তেতিয়া তেওঁৰ বিৰুদ্ধে গোচৰ তৰিব পাৰে। সেই ব্যক্তিজন সম্পত্তি ওভটাই দিবলৈ অমান্তি হোৱাৰ বাবে অপৰাধী হ'ব।

**ধন সম্পত্তি ওভতাই নিদিলে কেনেধৰণৰ শাস্তি হ'ব পাৰে :**

- ছয় মাহৰ পৰা দুই বছৰলৈ জেল।
- পাঁচ হাজাৰৰ পৰা দহ হাজাৰ টকা পৰ্য্যন্ত জৰিমনা।

**যৌতুকজনিত হত্যা :**

- মৃত্যুৰ আগত যদি ছোৱালীৰ পৰা যৌতুক বিচাৰিছিল বা যৌতুকৰ বাবে অত্যাচাৰ কৰিছিল।
- যদি ছোৱালীজনীৰ মৃত্যু বিয়াৰ সাত বছৰৰ ভিতৰত হয়।
- যদি কিবা অস্বাভাৱিক মৃত্যু হয়।

**যৌতুকজনিত কাৰণত হোৱা হত্যাৰ শাস্তি**

- কমেও সাত বছৰ পৰ্য্যন্ত জেল হ'ব পাৰে।
- যাৱজ্জীৱন জেল/কাৰবাসো খাটিব লগা হ'ব পাৰে।

**যৌতুকজনিত হত্যাৰ সম্পৰ্কত ল'ব লগা ব্যৱস্থা**

- যৌতুকজনিত কাৰণত হত্যা হ'লে প্ৰথমে আৰক্ষীক জনাব লাগে।
- আৰক্ষীয়ে চৰজমিন তদন্ত কৰি মৃত্যুৰ কাৰণ উদঘাটন কৰিব।
- আৰক্ষীয়ে মৃতদেহৰ মৰণোত্তৰ পৰীক্ষাৰ ব্যৱস্থা কৰিব। মৃত্যুৰ কাৰণ উদঘাটন কৰাৰ ব্যৱস্থা কৰিব।
- আৰক্ষীয়ে ঘটনাস্থলীত দুজন সচেতন লোকৰ সন্মুখত তদন্ত কৰি প্ৰতিবেদন প্ৰস্তুত কৰিব। প্ৰতিবেদনত প্ৰতিবেশী সচেতন লোক দুজনৰ লগতে আৰক্ষী বিষয়াইও স্বাক্ষৰ কৰিব।

**যৌতুকৰ গোচৰ কোনে দিব পাৰিব :**

- যৌতুকৰ বাবে ভুক্তভোগী মহিলা, তেওঁৰ মাক দেউতাক বা আন সম্বন্ধীয় লোকে আৰক্ষীক গোচৰ তৰিব পাৰিব।
- আৰক্ষীয়ে যদি গোচৰ ল'বলৈ সন্মত নহয় তেনেহ'লে আৰক্ষী অধীক্ষকক জনাব।
- কোনো পুলিচ বিষয়া চৰকাৰী স্বীকৃতি প্ৰাপ্ত স্বেচ্ছাসেৱী সংগঠনে আৰক্ষী অধীক্ষকক জনাব।
- আদালতে যৌতুক সম্পৰ্কীয় ঘটনাৰ সন্ধেদ পালে নিজাববীয়াকৈ ব্যৱস্থা ল'ব।
- যৌতুক সম্পৰ্কীয় গোচৰ তৰাৰ নিৰ্দ্দিষ্ট সময় নাই। যিমান সোনকালে পাৰি গোচৰ তৰিব লাগে।
- যৌতুকজনিত অপৰাধৰ গোচৰ এবাৰ ৰুজু হ'লে উঠাই ল'ব নোৱাৰি।

ভাৰত চৰকাৰ
ৰাষ্ট্ৰীয় সাক্ষৰতা মিছন প্ৰাধিকৰণ
(বিদ্যালয় শিক্ষা আৰু সাক্ষৰতা বিভাগ)
বিধি আৰু ন্যায় মন্ত্ৰালয় (ন্যায় বিভাগ)
মানৱ সম্পদ বিকাশ মন্ত্ৰালয়, নতুন দিল্লী-১১০০০১ ৰ সহযোগত
ৰাজ্যিক সম্পদ কেন্দ্ৰ অসমৰ দ্বাৰা প্ৰকাশিত আৰু প্ৰচাৰিত
website :: www.mhrd.gov.in,www.Mygov.in
website :: www.srcguwahati.in

আইনী সাক্ষৰতা শৃংখলা - ৫

# যৌতুক প্ৰতিৰোধ অধিনিয়ম ১৯৬১



# যৌতুক প্ৰতিৰোধ অধিনিয়ম ১৯৬১

## যৌতুক কি ?

বিয়াৰ সময়ত দৰা পক্ষই কইনা পক্ষৰ পৰা নগদ ধন, গহনা, সা সম্পত্তি আদি দাবী কৰাটোৱে যৌতুক।

- এই দাবী বিয়াৰ আগত, বিয়াৰ সময়ত বা বিয়াৰ পাছতো হয়।
- কন্যাৰ লগত উপহাৰ হিচাপে টিভি, ফ্ৰিজ বা অন্যান্য সামগ্ৰীৰ লগতে মটৰ গাড়ী পৰ্য্যন্ত দিয়া হয়।
- ঘৰ, মাটি সম্পত্তি আদি কইনাক উপহাৰ হিচাপে দিয়া হয়। এই সমূহকো যৌতুক বুলিয়ে ধৰা হয়।
- যৌতুক দিয়া বা লোৱাজনো আইন অনুসৰি অপৰাধী হয়।

## যৌতুক লোৱা বা দিয়াসকলৰ শাস্তি

- দোষী ব্যক্তিক পাঁচ বছৰ পৰ্য্যন্ত জেল দিয়া হয়।
- পোন্ধৰ হাজাৰ টকা জৰিমনা লোৱা হয়।
- যৌতুকৰ বাবদ লোৱা সম্পত্তিৰ মূল্য পোন্ধৰ হাজাৰ টকাতকৈ বেছি হলে তেনে ক্ষেত্ৰত জৰিমনা বিহা হয়।



## যৌতুক লোৱা বা দিয়াত সহায় কৰাটো অপৰাধ

বিয়া এখন ঘটক বা সম্পৰ্কীয় লোকৰ জৰিয়তে ঠিক কৰা হয়। ঘটকজনে যৌতুক সম্পৰ্কীয় কথাবোৰ ঠিক ঠাক কৰে। বিনিময়ত ঘটকজনে ধন লয়। এনে ধৰণৰ লোকো আইনৰ চকুত অপৰাধী হয়। যৌতুকৰ লেন দেন কৰা সকলো কামেই আইন বিৰোধী। এনে কামত জড়িত লোকসকলৰ পাঁচ বছৰ পৰ্য্যন্ত জেল অথবা পোন্ধৰ হাজাৰ টকা জৰিমনা হ'ব পাৰে।



## যৌতুকৰ বিজ্ঞাপন

- বৈবাহিক সম্পৰ্কৰ বাবে বাতৰি কাকতত বিজ্ঞাপন দিয়া হয়।
- বিজ্ঞাপনত নগদ ধন আৰু সম্পত্তিৰ কথা উল্লেখ কৰে।
- এনে ধৰণৰ বিজ্ঞাপন দিয়াটো আইনমতে দণ্ডনীয়। কোনোবাই আপত্তি দৰ্শালে বিজ্ঞাপন দিওতাৰ শাস্তি হ'ব পাৰে।

## ইয়াৰ বাবে আইনে দিয়া শাস্তি

- যৌতুকৰ বাবে ছয় মাহৰ পৰা পাঁচ বছৰলৈ জেল হয়।
- পোন্ধৰ হাজাৰ টকা পৰ্য্যন্ত জৰিমনা হয়।

## বিয়াত দিয়া সকলোবোৰ উপহাৰক যৌতুক বুলি ধৰা হয় নেকি ?

নহয়, বিয়াত দৰা বা কন্যাক উপহাৰ দিব পাৰি। আইনে এই ক্ষেত্ৰত অনুমতি দিছে। কিন্তু মন কৰিবলগীয়া কথাটো হ'ল :

- কইনাৰ লগত দিয়া উপহাৰৰ এখন লিখিত সূচী প্ৰস্তুত কৰিব লাগে।
- সূচীত উপহাৰ সমূহৰ আনুমানিক বা প্ৰকৃত মূল্য উল্লেখ থাকিব লাগিব।
- সূচীখনত দৰা বা কইনাৰ স্বাক্ষৰ থাকিব লাগিব।

## স্ত্ৰীধন

বিয়াৰ আগৰ, বিয়াৰ সময়ত বা বিয়াৰ পাছত ছোৱালীক যি সম্পত্তি বা উপহাৰ দিয়া হয় সেইবিলাকেই ছোৱালীৰ নিজৰ সম্পত্তি। ইয়াক স্ত্ৰীধন বুলি কোৱা হয়।

- স্ত্ৰীধনৰ ওপৰত অকল ছোৱালীৰহে অধিকাৰ থাকে।
- ছোৱালীয়ে নিজৰ স্ত্ৰীধন যেনেকৈ বিচাৰে তেনেকৈ দিব লাগে।
- বিয়াৰ সময়ত পোৱা সম্পত্তি ছোৱালীৰ বাহিৰেও আৰু কোনো দ্বিতীয় ব্যক্তিৰ ওচৰতো ৰাখিব পাৰে। এই সম্পত্তি সুৰক্ষিত আৰু নিৰাপদে ৰাখিব লাগিব। যেতিয়াই ছোৱালীয়ে বিচাৰে ওভতাই দিব লাগে।
- যদি সম্পত্তি দ্বিতীয় ব্যক্তিৰ পৰা ওভতাই লোৱাৰ আগতে ছোৱালীজনীৰ মৃত্যু হয় তেতিয়া তেওঁৰ সন্তানে সেই সম্পত্তি পাব।